# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-08-2024
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - - - - - -

প্ৰতিবেশী ৰাষ্ট্ৰ বাংলাদেশত ছাত্ৰ সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচীক কেন্দ্ৰ কৰি উদ্ভৱ হোৱা হিংসাত্মক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশখনৰ বিভিন্ন স্থানত অনিৰ্দিষ্টকালৰ বাবে সান্ধ্য আইন জাৰি কৰাৰ লগতে মোবাইল ইণ্টাৰনেট সেৱাও বন্ধ কৰা হৈছে। জানিব পৰা মতে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি এখন সেনাৰ হেলিকপ্টাৰযোগে দেশ এৰি উৰা মাৰিছে। বাংলাদেশৰ সংবাদমাধ্যমত প্ৰকাশ পোৱা তথ্য অনুসৰি অসংখ্য প্ৰতিবাদকাৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ চৰকাৰী বাসভৱন, গণভৱন ঘেৰাও কৰি পেলোৱাৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে সুৰক্ষিত স্থান অভিমুখে ৰাওনা হৈছে। ইপিনে প্ৰধানমন্ত্ৰীৰ অনুপস্থিতিত সেনা বাহিনীৰ কৰ্তৃত্বৰ অধীনলৈ যোৱাৰ সম্ভাৱনাই দেখা দিয়া দেশখনৰ জনসাধাৰণক টেলিভিছন যোগে দিয়া বাৰ্তাত বাংলাদেশৰ সেনাপ্ৰধান জেনেৰেল ৱাকাৰ উজ জামানে ধৈৰ্য সহকাৰে শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে কালি দেশখনত প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত লগা সংঘৰ্ষত কমেও ১০০ জন লোক নিহত হোৱাৰ লগতে সহস্ৰাধিক লোক আহত হৈছে। ছাত্ৰসকলে ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে বাংলাদেশৰ স্বাধীনতা যুদ্ধৰ সংগ্ৰামী সকলৰ পৰিয়াল বা আত্মীয়ৰ বাবে চৰকাৰী চাকৰিত ৩০ শতাংশ সংৰক্ষণৰ বিৰোধিতা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইফালে বাংলাদেশৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত-বাংলাদেশ সীমান্তত উচ্চ সতৰ্কতা জাৰি কৰা হৈছে। তদুপৰি সীমান্ত অঞ্চলত নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ লগতে অতিৰিক্ত বাহিনী মোতায়েন কৰা হৈছে। একেদৰে মুৰ্চিদাবাদৰ উন্মুক্ত সীমান্তত চোকা দৃষ্টি ৰখা হৈছে। পদ্মাৰ লগতে অন্যান্য নদী সীমান্তত বি এছ এফে চোকা পহৰা অব্যাহত ৰাখিছে।

০০০০০

ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৭৪ সংখ্যক মৃত্যু তিথিৰ সৈতে সংগতি ৰাখি আজি লোককল্যাণ দিৱসৰ আয়োজন কৰা হয়। ২০২২ বৰ্ষৰ পৰা অসম চৰকাৰে এই দিনটো লোককল্যাণ দিৱস হিচাপে পালন কৰি আহিছে। ইয়াৰ দ্বাৰা বৰদলৈৰ জীৱন, কৰ্মৰাজী, ৰাজনৈতিক দৰ্শন আৰু নেতৃত্ব দানৰ ক্ষমতাক আলোকপাত কৰি নৱপ্ৰজন্মক এই গুণসমূহ আহৰণ কৰাৰ আকৰ্ষিত কৰাৰ প্ৰয়াস কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি পাণবজাৰৰ নেহৰু পাৰ্কত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত লোককল্যাণ দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰীয়ে বৰদলৈৰ প্ৰতিমূৰ্তিৰ মাল্যাৰ্পণ কৰি দিয়া ভাষণত নেতাগৰাকীৰ সপোনৰ অসমখনত বাস্তৱায়িত কৰিবলৈ সংকল্পবদ্ধ বুলি মন্তব্য কৰে। এই অনুষ্ঠানত পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াৰ উপৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইপিনে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি লোককল্যাণ দিৱস উপলক্ষে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৃষ্ট সেৱা আগবঢ়োৱা ১৮ গৰাকী প্ৰশাসনিক বিষয়ালৈ মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা আৰু ১০ গৰাকী ৰাজ্যিক তথা ৩৭ গৰাকী জিলা পৰ্যায়ৰ

অৰাজপত্ৰিত বিষয়ালৈ লোকসেৱা বঁটা আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদান কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আদৰ্শৰাজীৰে উদ্বুদ্ধ হ'বলৈ সকলোকে আহ্বান জনায়।

ooooo

কামৰূপ জিলাৰ দদৰা-দলিবাৰী পছৰীয়া অঞ্চলত ১৬৬৯ চনত হোৱা আলাবৈ ৰণৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আহোম আৰু মোগল সাম্ৰাজ্যৰ মাজত ১৬৬৭ চনত আৰম্ভ হোৱা তৃতীয়লানি যুদ্ধৰ ঐতিহাসিক অংশ হিচাপে পৰিগণিত এই ৰণৰ কিছুদিনৰ পাছতেই ১৬৭১ চনত বিখ্যাত শৰাইঘাটৰ যুদ্ধ হৈছিল। শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিক গুৰুত্বৰ সমানেই আলাবৈৰ ৰণেও অসমীয়া সেনাৰ সাহস আৰু বলিদানৰ কথাকে প্ৰতীয়মান কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই ৰণত প্ৰাণ আহুতি দিয়া ১০ হাজাৰ অসমীয়া সেনাৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, এই ৰণ আছিল মোগল সাম্ৰাজ্য সম্প্ৰসাৰণৰ যুঁজৰ বিপৰীতে অসমীয়াৰ জাতি ৰক্ষাৰ সংগ্ৰাম। ৰাজ্য চৰকাৰে অসম বুৰঞ্জীৰ প্ৰতিটো সোণালী পৃষ্ঠাত বিশ্বজুৰি প্ৰসাৰ কৰাৰ বাবে অহৰহ চেষ্টা চলাই যাব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও আজি এই ৰণৰ স্মৃতি দিৱস উপলক্ষে বীৰ সেনানীসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

ooooo

যোৱা ২ আগষ্টৰ পৰা অব্যাহত থকা শোণিতপুৰ জিলা দিৱসৰ কাৰ্যসূচী অনুসৰি আজি জিলাখনৰ চাৰিটা শিক্ষাখণ্ডৰ অন্তৰ্গত ৪০খন বিদ্যালয়ত শ্ৰমদান কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা ৮ বজাত তেজপুৰ কলেজিয়েট উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত আয়োজিত এই কাৰ্যসূচী বিধায়ক পৃথ্বীৰাজ ৰাভাই উদ্বোধন কৰে। তেওঁ উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীকে ধৰি সকলোকে এখন আটকধুনীয়া বিদ্যালয় গঢ়ি তোলাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

ooooo

ডিব্ৰুগড় জিলা প্ৰশাসনে জিলাখনত মেলেৰীয়া, ডেংগী, জাপানীজ এনচেফেলাইটিছ আদি ৰোগ প্ৰতিৰোধৰ বাবে বিভিন্ন পদক্ষেপ লৈছে। জিলাখনৰ আয়ুক্ত বিক্ৰম কৈৰীৰ নিৰ্দেশত স্বাস্থ্য বিভাগে জিলাখনৰ বিভিন্ন স্থানত ধোঁৱা দিয়াৰ লগতে লাউড স্পীকাৰযোগে সজাগতাৰ সৃষ্টি কৰিছে। বিশেষকৈ বজাৰ, গ্ৰামাঞ্চল, চাহ-বাগিচা এলেকা, পানী জমা হোৱা দ অঞ্চল আদিত এনে ব্যৱস্থা কৰা হৈছে।

ooooo

চলিত বৰ্ষত তিনিচুকীয়া জিলাৰ পৰা তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকলৰ বাবে তিনিচুকীয়া সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী সঞ্জয় কিষাণৰ ব্যক্তিগত প্ৰচেষ্টাত বিনামূলীয়া এমহীয়া প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। প্ৰশিক্ষাৰ্থীসকলক তিনিচুকীয়াৰ বিধায়ক কাৰ্যালয়ৰ ঠিকনাত যোগাযোগ কৰি নথি-পত্ৰসমূহ জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। আনহাতে অনলাইন গুগল ফৰ্ম পূৰণ কৰিও আবেদন কৰিব পাৰিব বুলি কোৱা হৈছে।

ooooo

পেৰিছ অলিম্পিকত আজি মহিলাৰ টেবুল টেনিছৰ দলীয় ইভেণ্টত ভাৰতৰ মণিকা বাট্ৰা, শ্ৰীজা আকুলা আৰু অৰ্চনা কামাথে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ৰোমানিয়াৰ মহিলা দলক ৩-২ত পৰাজিত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আনহাতে শুটিঙত স্কিট মিক্সড দলীয় শাখাত মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকা ব্যৰ্থ হৈছে। ইয়াৰ ফলত এইবাৰৰ অলিম্পিকত ভাৰতৰ শুটিং দলটোৱে তিনিটা ব্ৰঞ্জৰ পদকতে

অভিযান সামৰিছে। ইফালে  বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব। কালিৰ ছেমি ফাইনেলত লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত ২০-২২, ১৪-২১ পোনপটীয়া ছেটত পৰাজয় বৰণ কৰে। উল্লেখযোগ্য যে, অলিম্পিকত ছেমি ফাইনেল পৰ্যায়ত খেলা লক্ষ্য সেন হৈছে ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বেডমিণ্টন খেলুৱৈ। এথলেটিছত দুগৰাকী খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিব। এছিয়ান গেমছত সোণৰ পদক লাভ কৰা অবিনাশ চাবলে ৩ হাজাৰ মিটাৰ ষ্টেপলচেজ ফাইনেলৰ বাবে অৱতীৰ্ণ হোৱাৰ বিপৰীতে কিৰণ পাহালে মহিলাৰ ৪০০ মিটাৰৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। মল্লযুঁজৰ মহিলাৰ ৬৮ কিলোগ্ৰাম শাখাত নিশা দাহিয়াই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত